# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 26-10-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

**- - - - - -**

১। ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ বাবে হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত। দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালসহ আপৰ ৪০ জনীয়া তাৰকা প্ৰচাৰকৰ তালিকা প্ৰকাশ।

২। ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ অধীনত কাইলৈ হ'বলগীয়া চতুৰ্থ বৰ্গৰ লিখিত পৰীক্ষা নিকাভাৱে অনুষ্ঠিত কৰিবলৈ প্ৰশাসনৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ।

৩। উত্তৰ পূৰ সীমান্ত ৰে'লৰে উৎসৱৰ সময়ছোৱাত যাত্ৰীসকলৰ সুবিধাৰ বাবে ৪৪ খন বিশেষ ৰে'লগাড়ী চলাচল কৰোৱাৰ সিদ্ধান্ত।

৪। গুৱাহাটীৰ জ্যোতি চিত্ৰবনত দুদিনীয়া কাৰ্যসূচীৰে অষ্টম চলচিত্ৰম ৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱ-২০২৪ আৰম্ভ।

**আৰু**

৫। ভাৰতৰ বিৰুদ্ধে পুণেত অনুষ্ঠিত দ্বিতীয়খন টেষ্টৰ আজি তৃতীয় দিনা ১১৩ ৰাণৰ ব্যৱধানত নিউজিলেণ্ডৰ জয়লাভ।

০০০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ বাবে হ'বলগীয়া আসন্ন উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে নিজ নিজ প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অব্যাহত ৰাখিছে। মন্ত্ৰী পীযূষ হাজৰিকাই আজি বিহালী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বিজেপিৰ মনোনীত প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। ইয়াৰ লগতে তেওঁ চামগুৰি সমষ্টিৰ বিজেপিৰ মনোনীত প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈও প্ৰচাৰত অংশ লয়। ইপিনে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰাই আজি চিদলী সমষ্টিৰ মনোনীত প্ৰাৰ্থী সঞ্জীৱ ৱাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। প্ৰচাৰৰ মাজতে তেওঁ বহুকেইটা অঞ্চলৰ ৰাইজৰ সৈতে মত বিনিময় কৰে। কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইনে আজি চামগুৰি সমষ্টিৰ প্ৰাৰ্থী তানজিল হুছেইনৰ হৈ প্ৰচাৰ চলায়। চিদলী সমষ্টিৰ কাশীকোত্ৰাত বিপিএফে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত নিৰ্বাচনী সভা আয়োজন কৰে।

উল্লেখযোগ্য যে ৫টা বিধানসভা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে ৩৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন-পত্ৰ দাখিল কৰিছে।

০০০০০

আম আদমী পাৰ্টিয়ে বিহালী আৰু চামগুৰি সমষ্টিৰ নিৰ্বাচনী প্ৰচাৰৰ বাবে ৪০ জনীয়া তাৰকা প্ৰচাৰকৰ তালিকা প্ৰকাশ কৰিছে। তালিকাত প্ৰকাশ কৰা অনুসৰি দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে অসমত

নিৰ্বাচনী প্ৰচাৰ চলাব। প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী মনীষ ছিছ'দিয়া, দিল্লীৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী আতিশীৰ লগতে পঞ্জাবৰ ভগৱন্ত মানেও অসমত প্ৰচাৰ চলাবলৈ আহিব। ইয়াৰোপৰি প্ৰাক্তন ক্ৰিকেটাৰ তথা আপৰ ৰাজ্যসভাৰ সাংসদ হৰভজন সিং, সঞ্জয় সিং, দিল্লী চৰকাৰৰ মন্ত্ৰী সৌৰভ ভৰদ্বাজৰ লগতে ২৮ গৰাকী ৰাষ্ট্ৰীয় পৰ্যায়ৰ নেতাই অসমত প্ৰচাৰ চলাব। দুটাকৈ সমষ্টিত প্ৰচাৰ চলাবলৈ দলটোৱে আন ১২ গৰাকী ৰাজ্যিক নেতাৰ তালিকাত সন্নিবিষ্ট কৰিছে।

০০০০০

ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ অধীনত কাইলৈ হ'বলগীয়া চতুৰ্থ বৰ্গৰ লিখিত পৰীক্ষা নিকাভাৱে অনুষ্ঠিত কৰিবলৈ প্ৰশাসনৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। লিখিত পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ লক্ষ্যৰে ৰাজ্যজুৰি পুৱা চাৰে ৮ বজাৰ পৰা বিয়লি ৪ বজালৈ ইণ্টাৰনেট সেৱা বন্ধ ৰখা হ'ব। ৰাজ্যত গৃহ আৰু ৰাজনৈতিক বিভাগৰ হৈ অতিৰিক্ত মুখ্য সচিব অজয় তিৱাৰীয়ে এটা বিবৃতিযোগে এই কথা সদৰি কৰাৰ লগতে সকলোকে যুৱপ্ৰজন্মৰ ভৱিষ্যতৰ স্বাৰ্থত সহযোগিতা কৰিবলৈ আহ্বান জনাইছে। চৰকাৰৰ নিৰ্দেশনা ভংগ কৰিলে ভাৰতীয় ন্যায় সংহিতাৰ ২০২৩ ধাৰা আৰু ইণ্ডিয়ান টেলিগ্ৰাফ এক্টৰ সংশ্লিষ্ট ব্যৱস্থাৰ অধীনত শাস্তি বিহা হ'ব বুলিও বিবৃতিটোত কোৱা হৈছে।

উল্লেখযোগ্য যে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ তত্বাৱধানত কাইলৈ ৰাজ্যৰ ২৮ খন জিলাত ৪২টা বিভাগৰ চতুৰ্থ বৰ্গৰ মুঠ ৫ হাজাৰ ২৩টা খালী পদৰ বাবে অনুষ্ঠিত হ'বলগীয়া এই পৰীক্ষাত এহেজাৰ ৪৮৪টা কেন্দ্ৰত ১৩ লাখ ৭৯ হাজাৰ ১৩২ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। ইয়াৰে প্ৰথম প্ৰশ্নকাকতত অৱতীৰ্ণ হ'বলগীয়া প্ৰাৰ্থী ৮ লাখ ২৭ হাজাৰ ১৩০ গৰাকী আৰু দ্বিতীয় প্ৰশ্নকাকতত ৫ লাখ ৫২ হাজাৰ দুগৰাকী। পুৱা ৯ বজাৰ পৰা দশম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ বাবে আৰু ডেৰ বজাৰ পৰা অষ্টম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ বাবে এই পৰীক্ষা অনুষ্ঠিত হ'ব। মহিলা পৰীক্ষাৰ্থীৰ তালাচীৰ বাবে মহিলা আৰক্ষীৰ সৈতে অংগনৱাড়ী আৰু আশাকৰ্মী উপস্থিত থাকিব বুলি নিযুক্তি আয়োগে জানিবলৈ দিছে। প্ৰশিক্ষাৰ্থীসকলৰ সুবিধাৰ্থে উত্তৰ পূৰ সীমান্ত ৰে'লৱেই আজিৰে পৰা ৰাজ্যত ৫ খন বিশেষ ৰে'লৰ চলাচলৰ ব্যৱস্থা কৰিছে। ৰে'লৰ সূচী অনুসৰি চলাচল কৰিবলগীয়া বিশেষ ৰেলগাড়ীকেইখন হ'ল কৰিমগঞ্জ-শিলচৰ-কৰিমগঞ্জ, মৰিয়নি-নাৰেঙ্গী-মৰিয়নি, হয়বৰগাঁও-গুৱাহাটী-হয়বৰগাঁও, আলিপুৰ দুৱাৰ-কামাখ্যা-আলিপুৰ দুৱাৰ আৰু জামিৰা-শিলচৰ-জামিৰা।

০০০০০

কৰিমগঞ্জ জিলাৰ ২৯ টা কেন্দ্ৰত কাইলৈ চতুৰ্থ শ্ৰেণীৰ পৰীক্ষাৰ্থীৰ বাবে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা অনুষ্ঠিত হ'ব। এই পৰীক্ষা কেন্দ্ৰসমূহত যিকোনো ধৰণৰ অবৈধ কাৰ্যকলাপ ৰোধ কৰাৰ লগতে শান্তি শৃংখলা বজাই ৰাখিবলৈ জিলা আয়ুক্তই ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬০ নম্বৰ ধাৰা অনুযায়ী কাইলৈ পুৱা ৬ বজাৰ পৰা সন্ধিয়া ৫ বজালৈ নিষেধাজ্ঞা আৰোপ কৰিছে। এই নিষেধাজ্ঞা অনুসৰি পৰীক্ষা কেন্দ্ৰৰ এশ মিটাৰ ব্যাসাৰ্ধৰ এলেকাত ব্যক্তি প্ৰৱেশ আৰু অযথা ভিৰ সম্পূৰ্ণ নিষিদ্ধ কৰা হৈছে। তদুপৰি পৰীক্ষা গৃহত কোনো ধৰণৰ ইলেকট্ৰনিক সামগ্ৰী লৈ প্ৰৱেশ কৰাটো নিষিদ্ধ কৰা হৈছে। ইফালে পৰীক্ষা কেন্দ্ৰসমূহৰ এশ মিটাৰ ব্যাসাৰ্ধ এলেকাত অবৈধভাৱে যান-বাহন পাৰ্কিং আৰু যাতায়তৰ অনুমতি দিয়া নহ'ব।

০০০০০

উত্তৰ পূৰ সীমান্ত ৰে'লৱে উৎসৱৰ সময়ছোৱাত যাত্ৰীসকলৰ অতিৰিক্ত ভিৰ নিয়ন্ত্ৰণ কৰাৰ বাবে কেইবাখনো বিশেষ ৰে'লগাড়ী চলাচল কৰোৱাৰ সিদ্ধান্ত লৈছে। এই অনুসৰি এখন বিশেষ ৰে'ল বৈষ্ণোদেৱী কাত্ৰাৰ পৰা ২৮ অক্টোবৰ আৰু ২ নৱেম্বৰত সন্ধিয়া ৬ বাজি ৪৫ মিনিটত যাত্ৰা কৰি ৩০ অক্টোবৰ আৰু ৪

নৱেম্বৰৰ নিশা দহ বজাত কামাখ্যাত উপস্থিত হ'ব। একেদৰে ৰে'লখন ৩১ অক্টোবৰ আৰু ৫ নৱেম্বৰত কামাখ্যাৰ পৰা পুৱা ৬ বজাত যাত্ৰা কৰি ২ আৰু ৭ নৱেম্বৰৰ পুৱা ৬ বাজি ২০ মিনিটত কাত্ৰাত উপস্থিত হ'ব। এই সময়ছোৱাৰ বাবে কাতিহাৰৰ পৰা মনিহাৰী সংযোগী দুখন ৰে'ল ২৫ টা যাত্ৰাৰ বাবে আজিৰে পৰা ১৯ নৱেম্বৰলৈ চলাচল কৰিব।

এই সন্দৰ্ভত উত্তৰ পূৱ সীমান্ত ৰে'লৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া কপিঞ্জল কিশোৰ শৰ্মাই এইদৰে কয় ঃ

**বাইট**

০০০০০

অবৈধ ট্ৰেডিঙৰ ঘটনাত গ্ৰেপ্তাৰ হোৱা বিশাল ফুকন, চুমি বৰা নামৰ ৮ জন অভিযুক্তক আজি কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থাই কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱায়। আদালতে আটাইকেইজন অভিযুক্তকে গুৱাহাটীৰ কেন্দ্ৰীয় কাৰাগাৰলৈ প্ৰেৰণ কৰে। অহা ২৮ অক্টোবৰত কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থাই অভিযুক্তকেইজনক চিবিআইৰ বিশেষ আদালতত হাজিৰ কৰোৱাই জিম্মাত লোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে অসম চৰকাৰে অবৈধ অনলাইন ট্ৰেডিং সন্দৰ্ভত ৰুজু হোৱা ৪১ টা গোচৰৰ তদন্তৰ দায়িত্ব কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থাক প্ৰদান কৰিছিল। ইয়াৰ ভিত্তিত সংস্থাটোৱে তদন্ত প্ৰক্ৰিয়া ক্ষীপ্ৰ কৰি তুলিছে।

০০০০০

পোহৰৰ উৎসৱ দীপান্বিতা আৰু কালী পুজাৰ বাবে ৰাজ্যজুৰি ব্যাপক প্ৰস্তুতি পৰিলক্ষিত হৈছে। বিভিন্ন জিলা প্ৰশাসনে সুৰক্ষিতভাৱে দীপান্বিতা উদ্‌যাপনৰ বাবে সজাগতাৰ সৃষ্টি কৰিছে। এই উৎসৱৰ সময়ত দুৰ্ঘটনাৰ পৰা হাত সাৰি থকাৰ লগতে জুইয়ে পোৰাৰ পৰা সাৱধানতা অৱলম্বন কৰিবলৈ চিকিৎসকসকলে আহ্বান জনাইছে। বিশেষকৈ পৰিবেশ প্ৰদূষিত হোৱাৰ আশংকা থকা ফটকা, বোমা আদি ফুটোৱাৰ পৰা বিৰত থাকিবলৈ কোৱা হৈছে। এই সন্দৰ্ভত ‑ জ্যেষ্ঠ চিকিৎসক ডাঃ হীতেশ বৰুৱাই জনসাধাৰণৰ প্ৰতি পৰামৰ্শ আগবঢ়াইছে।

**বাইট**

০০০০০

শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে আজি গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত ছেমি কণ্ডাক্টৰ উদ্যোগ ঃ উত্তৰ-পূব ভাৰতত প্ৰযুক্তিগত প্ৰত্যাহ্বান আৰু সম্ভাৱনাসমূহ শীৰ্ষক এখন আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানে শিক্ষাৰ সৈতে উদ্যোগক সমন্বিত কৰি ছাত্ৰ-ছাত্ৰীৰ মাজত ছেমি কণ্ডাক্টৰ খণ্ডৰ উদ্ভাৱনী আৰু ষ্টাৰ্টআপৰ সম্ভাৱনাসমূহ অন্বেষণ কৰাৰ বাবে অনুপ্ৰাণিত কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰিছে। ইয়াৰ লগতে সকলো শিক্ষানুষ্ঠানক শিক্ষা, গৱেষণা আৰু শিক্ষাৰ্থীসকলৰ দক্ষতা বিকাশৰ জৰিয়তে ছেমি কণ্ডাক্টৰ উদ্যোগত সুফল লাভ কৰাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানটোত দেশৰ প্ৰায় ৩০০ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে।

০০০০০

কৃষ্ণগুৰু আন্তঃৰাষ্ট্ৰীয় আধ্যাত্মিক যুৱ সমাজৰ একবিংশ দ্বিবাৰ্ষিক সমাৱৰ্তন কাইলৈ গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'ব। অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। তদুপৰি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী হিমন্ত

বিশ্ব শৰ্মা সন্মানীয় অতিথি হিচাপে উপস্থিত থকাৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো বিশেষ অতিথি হিচাপে উপস্থিত থাকিব।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কাইলৈ কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত তেওঁৰ সন্মানাৰ্থে আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠান আৰু নৈশ ভোজমেলতো অংশগ্ৰহণ কৰিব।

০০০০০

অষ্টম চলচিত্ৰম ৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱ-২০২৪ আজি দুদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীৰ জ্যোতি চিত্ৰবনত আৰম্ভ হৈছে। উদ্বোধনী অনুষ্ঠানত সুনীল মহান্তী, কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ৰমেশ ডেকা, সংগীতশিল্পী তৰালী শৰ্মাকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ৰমেশ ডেকাই অনুষ্ঠানত কলা আৰু সংস্কৃতিৰ জৰিয়তে সংস্কৃতি আৰু ঐতিহ্য ৰক্ষা কৰিব লাগিব বুলি ভাষণত উল্লেখ কৰে। ভাষণত উপাচাৰ্যগৰাকীয়ে এইদৰে কয়-

**ভইচ কাষ্ট**

প্ৰবাল খাউণ্ড পৰিচালিত আৰু গোপাল জালানৰ লগতে ধ্ৰুৱজ্যোতি কাকতি প্ৰযোজিত দ্যা লাষ্ট জেনেৰেচন ছবিৰে মহোৎসৱৰ উদ্বোধন কৰা হয়। এই মহোৎসৱত ৫০ খন তথ্যচিত্ৰ আৰু চুটি ছবি প্ৰদৰ্শন কৰা হ'ব। প্ৰতিযোগিতা আৰু প্ৰদৰ্শনী- এই দুয়োটা শাখাত ছবিসমূহ প্ৰদৰ্শন কৰা হ'ব। বিশ্ব সংবাদকেন্দ্ৰ, অসমৰ সহযোগী অনুষ্ঠান চলচিত্ৰমৰ উদ্যোগত আয়োজিত এই মহোৎসৱৰ মূল বিষয়বস্তু হৈছে- **আমাৰ ঐতিহ্য আমাৰ গৌৰৱ**। মূল বিষয়বস্তুৰ উপৰি মহোৎসৱত ভূমি আৰু মানুহ, পৰ্যটন, কলা, হস্তশিল্প আৰু বস্ত্ৰ, পাণ্ডুলিপি আৰু পাণ্ডুলিপি চিত্ৰাংকন, চিত্ৰাংকন আৰু কাঠত খোদাই কৰা কলা, সংগীত আৰু সংগীতজ্ঞ, সাংস্কৃতিক উৎসৱ, স্মৃতি সৌধ আৰু ঐতিহ্যক্ষেত্ৰ, সমাজ সংস্কাৰক আৰু আগৰণুৱাসকলক, ক্ৰীড়া, চাহ আৰু তৈল উদ্যোগ, সংস্কৃতি আৰু মূল্যবোধ, সামাজিক সজাগতা, পৰিয়াল ব্যৱস্থা, মহিলা, পৰিৱেশ আদি বিষয়কো প্ৰাধান্য দিয়া হৈছে। চলচ্চিত্ৰৰ জৰিয়তে ৰাষ্ট্ৰীয়তাবাদক উৎসাহিত কৰাৰ লগতে ভাৰতৰ কেইবা হাজাৰবৰ্ষ পূৰণি সভ্যতা, সংস্কৃতি আৰু ঐতিহ্যক শ্ৰদ্ধা জ্ঞাপনৰ উদ্দেশ্যে এই মহোৎসৱৰ আয়োজন কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৫ সংখ্যক খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণী নিউজৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান শুনিব পৰা যাব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

ৰাজ্যৰ জনস্বাস্থ্য কাৰিকৰী, দক্ষতা বিকাশ, নিয়োগ, উদ্যমশীলতা আৰু পৰ্যটন মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আজি বিটিচিৰ প্ৰধান সচিবৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। তামুলপুৰ জিলাৰ অভিভাৱক মন্ত্ৰীগৰাকীয়ে আজি এই বৈঠকত ২৬ টা বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰে। কৃষি বিভাগৰ পৰ্যালোচনা কৰি মন্ত্ৰীগৰাকীয়ে ধান ক্ৰয়ৰ ক্ষেত্ৰত যাতে মধ্যভোগীসকলে সুফল লাভ নকৰে তাৰ প্ৰতি দৃষ্টি ৰাখিবলৈ

নিৰ্দেশ দিয়ে। তদুপৰি পশুপালন, ৰেচম, শিক্ষা, খাদ্যকে ধৰি বিভিন্ন বিভাগসমূহৰ কাম-কাজসমূহো এই বৈঠকত পৰ্যালোচনা কৰা হয়।

০০০০০

নিচামুক্ত ভাৰত অভিযানৰ অধীনত দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰী মহাবিদ্যালয়ত আজি এটি প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলা সমাজ কল্যাণ বিভাগে মহাবিদ্যালয়খনৰ ৫০ গৰাকী মুখ্য সদস্যক নিচামুক্ত ভাৰত অভিযান সম্পৰ্কে প্ৰশিক্ষণ প্ৰদান কৰে। নৱপ্ৰজন্মক নিচাজাতীয় সামগ্ৰীৰ পৰা আঁতৰাই অনাৰ উদ্দেশ্যেৰে ৰাষ্ট্ৰীয় সেৱা যোজনাৰ সদস্যসকলক ভাৰ্চুৱেল পদ্ধতিৰে প্ৰশিক্ষণ প্ৰদান কৰা হয়।

০০০০০

মাধ্যমিক শিক্ষা সঞ্চালকালয়, প্ৰাথমিক শিক্ষা সঞ্চালকালয় আৰু সমগ্ৰ শিক্ষাৰ অধীনত কৰ্মৰত সকলো শিক্ষকে অলপতে প্ৰকাশিত বিজ্ঞাপন অনুসৰি স্নাতকোত্তৰ আৰু স্নাতক শিক্ষক পদৰ বাবে আবেদন কৰিব পাৰিব। শিক্ষা মন্ত্ৰী ডা০ ৰণোজ পেগুৰ অনুমোদনমৰ্মে ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে পদসমূহৰ বিপৰীতে আবেদন কৰাৰ বাবে সমূহীয়াভাৱে আপত্তিবিহীন প্ৰমাণপত্ৰ প্ৰদান কৰিছে। অৱশ্যে নিৰ্দেশনাটোত উল্লেখ থকা অনুসৰি শিক্ষক পদৰ বাবে বাছনি হোৱাৰ পাছত নিযুক্তিৰ বাবে সংশ্লিষ্ট শিক্ষকগৰাকীয়ে আপত্তিবিহীন প্ৰমাণপত্ৰ দাখিল কৰিব লাগিব।

০০০০০

নিউজিলেণ্ডে ভাৰতৰ বিৰুদ্ধে পুণেত অনুষ্ঠিত দ্বিতীয়খন টেষ্টত আজি তৃতীয় দিনা ১১৩ ৰাণৰ ব্যৱধানত জয়লাভ কৰে। দ্বিতীয় ইনিংছত ২৫৫ ৰাণ সংগ্ৰহ কৰি নিউজিলেণ্ডে নিৰ্ধাৰণ কৰি দিয়া ৩৫৯ ৰাণৰ লক্ষ্যক অনুসৰণ কৰি ভাৰতে ২৪৫ ৰাণত নিজৰ দ্বিতীয় ইনিংছত আটাইকেইটা উইকেট হেৰুৱায়। এই জয়েৰে আলহী দলটোৱে তিনিখনীয়া খেলৰ শৃংখলা দখল কৰিছে। প্ৰথম ইনিংছত নিউজিলেণ্ডে সংগ্ৰহ কৰা ২৫৯ ৰাণৰ প্ৰত্যুত্তৰত ভাৰতে ১৫৬ ৰাণ সংগ্ৰহ কৰিছিল। শক্তিশালী স্থিতিৰে দ্বিতীয় ইনিংছত উপনীত হৈ নিউজিলেণ্ডে ২৫৫ ৰাণ সংগ্ৰহ কৰে। আনহাতে, ভাৰতে ২৪৫ ৰাণহে কৰিবলৈ সমৰ্থ হয়।

০০০০০

দৰং জিলাৰ দুনীত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে দুনী মুকলি দ্ৰুত দবা প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। দুনী দবা একাডেমীৰ উদ্যোগত অনুষ্ঠিত প্ৰতিযোগিতাখনত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৪০ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। সুদক্ষ দবা খেলুৱৈ তথা তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অধ্যাপক বিপুল শৰ্মাই প্ৰতিযোগিতাখন আজি উদ্বোধন কৰে। আজিৰ অনুষ্ঠানত জিলাখনৰ এসময়ৰ সুদক্ষ দবা খেলুৱৈ আৰু ক্ৰীড়া সংগঠকসকলক সম্বৰ্ধনা জনোৱা হয়।

০০০০০

গোৱালপাৰা জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু ৰূপজ্যোতি সংঘৰ সহযোগত আয়োজিত চতুৰ্দশ মনমোহন দাস আৰু আৰ আৰ আহমেদ সোঁৱৰণি ফুটবল প্ৰতিযোগিতাত কৃষকজ্যোতি সংঘই চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰিছে। আজি অনুষ্ঠিত ফাইনেলত দলটোৱে আগিয়া ফুটবল দলক ৫-১ গলত পৰাজিত কৰে।

০০০০০

সমাপ্ত